**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-11-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***
**-------------------**

বিহাৰ বিধানসভা নিৰ্বাচনত শাসনাধিষ্ঠিত এন ডি এ মৰ্চা বিপুল সংখ্যাগৰিষ্ঠতাৰে পুনৰবাৰ শাসনলৈ অহাটো নিশ্চিত হৈছে। এন ডি এ সম্প্ৰতি ২০৩ খন আসনত আগবাঢ়ি আছে। আৰ জে ডি নেতৃত্বাধীন মহাজোঁটবন্ধন বৰ্তমান ৩৩ খন আসনত আগবাঢ়ি আছে। প্ৰথমবাৰৰ বাবে নিৰ্বাচনত অৱতীৰ্ণ হোৱা **প্ৰশান্ত কিশোৰৰ জন সূৰয পাৰ্টী**ৰ প্ৰদৰ্শন শোচনীয় দেখা গৈছে। ৰাজ্যখনৰ মুঠ ২৪৩খন আসনৰ ভিতৰত বিজেপিয়ে ৯৪, জে ডি ইউৰে ৮১, এল জে পি (আৰ ভি)-এ ১৯, আৰ জে ডিয়ে ২৬, কংগ্ৰেছে ৪ আৰু অন্যান্য দলসমূহে ১৯ খন আসনত অগ্ৰগতি লাভ কৰিছে।

শাসনাধিষ্ঠিত এন ডি এই বিৰোধী মহাজোঁট বন্ধনতকৈ বৃহৎ ব্যৱধানত আগবাঢ়ি থকাৰ পৰিপ্ৰেক্ষিতত জে ডি ইউৰ সমৰ্থকসকল পাটনাৰ দলীয় কাৰ্যালয়ত ইতিমধ্যে বিজয় উদযাপনৰ বাবে সাজু হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া বিজেপিৰ মুখ্য কাৰ্যালয়ত উপস্থিত হৈ দলীয় কৰ্মীসকলক বিজয়ৰ বাবে শুভেচ্ছা জনাব। এন ডি এৰ নিশ্চিত বিজয়ক লৈ ৰাজ্যিক বিজেপিৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়াই এইদৰে কয় -

*(বাইট ঃ দিলীপ শইকীয়া)*

০০০০

বিহাৰ নিৰ্বাচনত এন ডি এৰ নিশ্চিত বিজয়ৰ পিছতেই অসমতো দলীয় কৰ্মীসকলৰ মাজত আনন্দমুখৰ পৰিৱেশে বিৰাজ কৰিছে। মন্ত্ৰী কৃষ্ণেন্দু পালৰ নেতৃত্বত শ্ৰীভূমিত জিলা বিজেপি কাৰ্যালয়ত বিজয় উৎসৱ উদযাপন কৰা হয়। বিহাৰৰ জনতাই শান্তি-সম্প্ৰীতি আৰু উন্নয়নৰ বাবে এন ডি এক ভোট দিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বিহাৰৰ জনগণে এন ডি এৰ প্ৰতি সমৰ্থন আগবঢ়োৱাৰ বাবে তেওঁ ভোটদাতাসকলক ধন্যবাদ জনায়।

০০০০

আজি শিশু দিৱস। দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিনটো প্ৰতিবছৰে শিশু দিৱস হিচাপে পালন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰথম গৰাকী প্ৰধানমন্ত্ৰীলৈ জন্ম বাৰ্ষিকীত গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো শিশু দিৱস উপলক্ষে সামাজিক মাধ্যমযোগে শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ড° শৰ্মাই শিশু পৃথিৱীৰ আটাইতকৈ প্ৰিয়তম উপহাৰ বুলি মন্তব্য কৰি প্ৰতিটো শিশুৰ কুশল কামনা কৰে।

গোৱালপাৰা জিলাৰ শিক্ষানুষ্ঠানসমূহতো আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে শিশু দিৱস পালন কৰা হয়। এই দিৱসৰ সৈতে সংগতি ৰাখি বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত খেল-ধেমালিৰ লগতে বিভিন্ন প্ৰতিযোগিতা

অনুষ্ঠিত হয়। বলদমাৰীৰ বালাৰভিটাপাৰা প্ৰাথমিক বিদ্যালয়ত শিশুসকলৰ মাজত বক্তৃতা প্ৰতিযোগিতাৰ মাজতে সংগীত আৰু নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়।

তিনিচুকীয়া জিলাৰ ৰজাগড় মৌকোঁহ মইনা পাৰিজাতৰ সৌজন্যত শিশু দিৱস উপলক্ষে পুৱাৰ ভাগত জিলাভিত্তিত ১১ ৰ পৰা ১৪ বছৰ বয়সৰ ল'ৰা-ছোৱালীৰ মাজত মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৰাজ্যৰ সকলো বিদ্যালয়তে শিশু দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০

জ্ঞানপীঠ বঁটা বিজয়ী প্ৰসিদ্ধ সাহিত্যিক মামণি ৰয়চম গোস্বামীৰ ৮৩ সংখ্যক জন্মদিনত আজি ৰাজ্যবাসীয়ে তেওঁক শ্ৰদ্ধাৰে সোঁৱৰিছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পুথিভঁৰাল সেৱা সঞ্চালকালয়ৰ উদ্যোগত আৰু গুৱাহাটী জিলা পুথিভঁৰালৰ সহযোগত আজি জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত সাহিত্যিকগৰাকীৰ জন্মদিন উদযাপন কৰা হয়। মন্ত্ৰী যোগেন মহনে অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে অংশ লয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° মালিনী গোস্বামী আৰু মামণি ৰয়চম গোস্বামী মেম'ৰিয়েল ট্ৰাষ্টৰ সঞ্চালক সবিতা শৰ্মাই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰে। উজানবজাৰৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰতে প্ৰয়াত সাহিত্যক গৰাকীৰ জন্ম দিন উদযাপন কৰা হয়। সেনা বাহিনীৰ অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল ৰাণাপ্ৰতাপ কলিতা, তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড০ প্ৰদীপ জ্যোতি মহন্ত উপস্থিত থাকে। বিশিষ্ট ব্যক্তিসকলে অনুষ্ঠানত সাহিত্যিকগৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জন্মদিনত বিশিষ্ট ঔপন্যাসিকগৰাকীলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে।

০০০০

বৰপেটা জিলাৰ শিক্ষানুষ্ঠানসমূহত চৰকাৰে আগবঢ়োৱা শিক্ষাৰ সুবিধাসমূহৰ উচিত ব্যৱহাৰ, ছাত্ৰ-ছাত্ৰীৰ বিকাশ, পুথিভড়ালৰ অৱস্থা, কাৰ্যপত্ৰৰ ব্যৱহাৰ আদি দিশবোৰৰ পৰ্যবেক্ষণ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ইয়াৰে অংশ হিচাপে আজি ৰাজ্যিক পৰ্যায়ৰ প্ৰতিনিধি হিচাপে সমল ব্যক্তি ৰিচিকা হাজৰিকাই বৰপেটা শিক্ষা খণ্ডৰ অন্তৰ্গত কেওঁতকুছি মজলীয়া বিদ্যালয় আৰু পলাশৰতল প্ৰাথমিক বিদ্যালয় দুখন পৰ্যবেক্ষণ কৰে। এই পৰ্যবেক্ষণত ৰাজ্যিক প্ৰতিনিধিগৰাকীয়ে শিক্ষা বিভাগে আগবঢ়োৱা সুবিধাসমূহৰ ব্যৱহাৰেৰে শিক্ষানুষ্ঠান দুখন কিদৰে আগবাঢ়িবলৈ সমৰ্থ হৈছে, তাৰ বুজ লয়। ৰাজ্যিক পৰ্যায়ৰ প্ৰতিনিধিগৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশৰ অগ্ৰগতিৰ মূল্যায়ন কৰে। বৰপেটা জিলা সমগ্ৰ শিক্ষা ব্যৱস্থাৰ বিষয়াসকলো এই পৰ্যবেক্ষণত উপস্থিত থাকে। আনহাতে পৰ্যবেক্ষকৰ এটা দলে বৰপেটা কেন্দ্ৰীয় বিদ্যালয়ো আজি পৰ্যবেক্ষণ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ